**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাজ্য কেইখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে এই ৰাজ্যকেইখনৰ উদ্যমী জনসাধাৰণে দেশৰ উন্নয়নৰ প্ৰতি উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। ৰাষ্ট্ৰপতিয়ে তিনিওখন ৰাজ্যৰ জনসাধাৰণৰ শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী ভৱিষ্যত কামনা কৰাৰ লগতে সাংস্কৃতিক বৈচিত্ৰ্য, প্ৰাণৱন্ত পৰম্পৰা আৰু চহকী জৈৱ বৈচিত্ৰৰে এই ৰাজ্যকেইখনে উন্নয়নৰ যাত্ৰা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে ভাৰতবৰ্ষৰ জনগাঁথনিৰ উজ্বল মণিমুকুতা সদৃশ এই ৰাজ্য তিনিখনে বৈচিত্ৰৰ মাজৰ ঐক্যৰ ধাৰণাক প্ৰতিফলিত কৰাৰ লগতে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰো নিদৰ্শন দাঙি ধৰে। তেওঁ কয়, যে অনবদ্য পৰম্পৰা আৰু থলুৱা কলাকৌশলেৰে এই ৰাজ্যসমূহে দেশৰ সাংস্কৃতিক গাঁথনিক সুদৃঢ় কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জনাই দিয়া বাৰ্তাত কয়, যে মণিপুৰৰ জনসাধাৰণে ভাৰতৰ বিকাশৰ বাবে আগবঢ়াই অহা অৱদানক লৈ দেশবাসীয়ে গৰ্ব অনুভৱ কৰে। তেওঁ মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ইয়াৰ জনসাধাৰণৰ উদ্যমী মনোভাবক ভূয়শী প্ৰশংসা কৰাৰ লগতে ত্ৰিপুৰাই দেশৰ প্ৰগতিত উল্লেখনীয় বৰঙণি যোগাইছে বুলি মন্তব্য কৰে।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ প্ৰেক্ষাগৃহত কালি সন্ধিয়া ৰাগ নৃত্যম শীৰ্ষক ধ্ৰুপদী সংগীত আৰু নৃত্যৰ এটা আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। দুগৰাকী উদীয়মান শিল্পী ৰুছিতা শইকীয়া আৰু মাহিতা শইকীয়াৰ শাস্ত্ৰীয় সংগীত আৰু কথক নৃত্যৰ এই অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই, পদ্মশ্ৰী সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী, প্ৰবীন শাস্ত্ৰীয় সংগীত শিল্পী সত্যকৃষ্ণ মিশ্ৰ, বিশিষ্ট শিশু সাহিত্যিক নিৰুপমা মিশ্ৰৰ উপৰি কেইবাগৰাকীও খ্যাতনামা সংগীত নৃত্য শিল্পী আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ কেইবাগৰাকীও ন্যায়াধীশৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ উত্তৰ-পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত যোৱা ১৭ জানুৱাৰীৰ পৰা গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত অনুষ্ঠিত শিল্পগ্ৰাম মহোৎসৱৰ আজি সামৰণি পৰিব। আজি বিয়লিৰ ভাগত গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচীত ভূটানৰ বাণিজ্যিক দূত জিগমে থিনলে নামগিয়াল আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী উপস্থিত থকাৰ কথা। মহোৎসৱৰ বিগত ৪ দিনৰ কাৰ্যসূচীত পৰম্পৰাগত আৰু সাস্ত্ৰীয় সংগীত-নৃত্যৰ

সমাহাৰ হয়। এই অনুষ্ঠানত অসমৰ লগতে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্য আৰু দেশৰ আন ১৪ খন ৰাজ্যৰ লোকসাংস্কৃতিক দলৰ শিল্পীয়ে অনুষ্ঠান পৰিৱেসন কৰে।

০০০০

শিৱসাগৰত সদৌ অসম ছাত্ৰ সন্থাৰ দ্বিতীয় বৃহৎ সাংগঠনিক কাৰ্যসূচী সাধাৰণ সভাৰ ব্যাপক প্ৰস্তুতি চলিছে। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু শিৱসাগৰবাসী ৰাইজৰ সহযোগত জিলাখনত চলিত মাহৰ ২৭ আৰু ২৮ তাৰিখে এই সাধাৰণ সভা অনুষ্ঠিত হ'ব। সভাত অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি আৰু অতিথিসকলক অসমীয়া জলপানৰ সোৱাদ দিয়াৰ বাবে শিৱসাগৰবাসী মহিলাসকলে দিনে-নিশাই ব্যস্ত হৈ পৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক ছাত্ৰ প্ৰতিনিধি আৰু ৰাইজৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া এই সাধাৰণ সভাখন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ইতিমধ্যে হাজাৰৰো অধিক ব্যক্তিক সামৰি এখন শক্তিশালী সমিতি গঠন কৰা হৈছে।

০০০০

নগাঁৱৰ জখলাবন্ধাৰ পৰা যোৰহাটৰ জাঁজীলৈ নিৰ্মাণ কৰিবলগীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱাৰ দিশ সলনি কৰা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ পৰা স্পষ্টীকৰণ বিচাৰিছে। আদালতে কেন্দ্ৰীয় চৰকাৰ আৰু ঘাইপথ প্ৰাধিকৰণক দুসপ্তাহৰ ভিতৰত বিষয়টো সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে এই পথছোৱাৰ দিশ সলনি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত নগাঁও আৰু বোকাখাতৰ ২১৬ জন লোকে দুখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আবেদন দুখনৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ বিচাৰপীঠে কালি এই ৰায় দিয়ে। ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দুখনত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সচিব, নগাঁও জিলাৰ আয়ুক্ত আৰু দুটা পথ নিৰ্মাণকাৰী ব্যক্তিগত সংস্থাৰ লগতে গুৱাহাটীৰ এগৰাকী প্ৰতিষ্ঠিত মহিলা ব্যৱসায়ীৰ নামো পদকীয়া হিচাপে উল্লেখ কৰা হৈছে।

০০০০

চিৰাং জিলাৰ কাজলগাঁও থানাৰ অন্তৰ্গত বৈখুন গাঁৱত আজি পুৱাৰ ভাগত কাজলগাঁও থানাৰ আৰক্ষীয়ে অভিযান চলাই অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে গাঁওখনৰ কামাল বাদশ্বাহ নামৰ এজন লোকৰ বাসগৃহত অভিযান চলাই এটা 7.65 MM পিষ্টল আৰু দুজাই গুলী জব্দ কৰা হয়। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

একেদৰে যোৰহাট জিলাৰ মৰিয়নিত আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই এখন মোবাইল ফোনৰ বিপনীত বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। এই সংক্ৰান্তত আৰক্ষীয়ে এজন যুৱকক আটক কৰিছে।

০০০০

সমাপ্ত